# অল ইণ্ডিয়া ৰেডিঅ’ কলিকতাত প্ৰথম অসমীয়া অনুষ্ঠান

ড° সূৰ্য দাস

(এক)

### কলিকতা কেন্দ্ৰৰ অসমীয়া অনুষ্ঠানৰ আঁতি-গুৰি

অল ইণ্ডিয়া ৰেডিঅ’ কলিকতা কেন্দ্ৰই ১৯৪৩ চনৰপৰা প্ৰতিদিনে অসমীয়া অনুষ্ঠানৰ প্ৰচাৰ আৰম্ভ কৰে। অসমীয়া অনুষ্ঠানৰ দায়িত্ব দিয়া হৈছিল কমল বসু নামৰ এজন Programme Assistantক। তেখেতে অসমীয়া গান গোৱা শিল্পী বিচাৰি, সেই সময়ত কলিকতাৰ ছেইণ্ট জেভিয়াৰ্ছ কলেজৰ ইণ্টাৰমিডিয়েট শ্ৰেণীৰ ছাত্ৰ দিলীপ শৰ্মাক কণ্ঠস্বৰ পৰীক্ষা দিবলৈ মাতে। কিন্তু কলিকতাত থকা বাবে তেতিয়ালৈকে তেখেতে অসমীয়া গীত এটি সম্পূৰ্ণকৈ জনাই নাছিল। এই সমস্যা সমাধানৰ বাবে দেউতাক দীননাথ শৰ্মাই দিলীপ শৰ্মাক সেই সময়ত কলিকতাত আত্মগোপন কৰি থকা জ্যোতিপ্ৰসাদ আগৰৱালাৰ ওচৰলৈ পঠায়। আগৰৱালাদেৱে দিলীপ শৰ্মাই জনা এটি ভজন অসমীয়ালৈ ৰূপান্তৰ কৰি দিয়ে ঃ

মন ৰাম নাম তই সোঁৱৰণ কৰি ল।
কোনে জানে কালি কি
জগতময় সোণৰ জ্বলে চাকিটি।

এইটো গীতকে গাই দিলীপ শৰ্মা কলিকতা কেন্দ্ৰৰ অসমীয়া অনুষ্ঠানৰ শিল্পী নিৰ্বাচিত হয়। ইয়াৰ পাছত কমল বসুৰ নিৰ্দেশ অনুসৰি দিলীপ শৰ্মাই বেলা মুখাৰ্জীক দুটা অসমীয়া গীত শিকাই দিছিল কলিকতা ৰেডিঅ’ৰ অসমীয়া অনুষ্ঠানত গাবৰ বাবে। গীত দুটিৰ এটি গীত আছিল ‘জিপ জিপ বৰষুণ পৰে কি পৰে’ গীতিকাৰ উমেশ চন্দ্ৰ চৌধাৰী। আনটি গীত আছিল বিষ্ণুপ্ৰসাদ ৰাভা ৰচিত গীত ‘উটি যা ৰূপালী নাও’। বিষ্ণু প্ৰসাদ ৰাভাৰ গীতটি আৱাহন আলোচনীত স্বৰলিপিসহ প্ৰকাশ পাইছিল আৰু সেই স্বৰলিপিৰ সহায়ত সুৰ কৰিছিল আৰু উমেশ চন্দ্ৰ চৌধাৰীৰ গীতটিৰ সুৰ দিলীপ শৰ্মাই নিজে কৰিছিল। বেলা মুখাৰ্জী কলিকতাৰপৰা প্ৰচাৰিত অসমীয়া অনুষ্ঠানৰ অসমীয়া গীতৰ প্ৰথম শিল্পী; এই দুটি গান প্ৰচাৰ হৈছিল ১৯৪৩ চনৰ ৭ জুলাইৰ দিনা। কলিকতাৰ ৰেডিঅ’ৰ দ্বিতীয়জন শিল্পী আছিল দিলীপ শৰ্মা। তেখেতৰ গান প্ৰচাৰ হৈছিল ১৯৪৩ চনৰ ১২ জুলাইৰ দিনা। নতুনকৈ অসমীয়া ভাষাত অনাতাঁৰ অনুষ্ঠান প্ৰচাৰ হোৱাৰ বাবে তাতে আকৌ কলিকতাৰপৰা হোৱা বাবে ৰেডিঅ’ৰ কৰ্মীসকলে অসমীয়া অনুষ্ঠানৰ বাবে শিল্পী বিচাৰি সদায় গান শুনাব পৰা নাছিল। গীতৰ উপৰিও আধাঘণ্টা সময়খিনিত কলিকতা প্ৰবাসী অসমীয়াসকলে অন্যান্য অনুষ্ঠান প্ৰচাৰ কৰিছিল।

(দুই)

### কমল নাৰায়ণ চৌধুৰী, পুৰুষোত্তম দাস আৰু উবেইদুল লটিফ বৰুৱাৰ পৰিচালনাত কলিকতাৰ অসমীয়া অনুষ্ঠান

“এনেদৰে এমাহমান চলাৰ পাছত গুৱাহাটীৰপৰা অসমৰ বিখ্যাত শিল্পী কমল নাৰায়ণ চৌধুৰীয়ে অসমীয়া অনুষ্ঠান পৰিচালনাৰ দায়িত্ব ল’লে। কমল নাৰায়ণ চৌধুৰীৰ প্ৰচেষ্টাত বৰপেটাৰপৰা পুৰুষোত্তম দাসে আহি এই অনুষ্ঠানত কামত যোগ দিলেহি। চৌধুৰী আৰু দাসৰ যুগ্ম প্ৰচেষ্টাত অনুষ্ঠানৰ কাৰ্যসূচী আগতকৈ নিয়াৰিকৈ চলিবলৈ ধৰিলে। পুৰুষোত্তম দাসে যিকোনো পৰিস্থিতিত অতি কম সময়ৰ ভিতৰতে সহজভাৱে গীত আলেখ্য লিখি উলিয়াব পাৰিছিল। কমল চৌধুৰীয়ে গীতৰ সুৰ দিছিল আৰু সৰু নাটক, কোৰাছ গীতবোৰ সুৰ দি গায়কসকলক শিকাই দিছিল। অসমৰপৰা কলিকতালৈ যোৱা শিল্পীসকলৰ বেছিভাগেই দাস আৰু চৌধুৰী, একেলগে থকা বাসস্থানলৈ গৈছিল আৰু ফলস্বৰূপে আকাশবাণীৰ অনুষ্ঠানত ভাগ লোৱাৰ সুবিধা পাইছিল। পুৰুষোত্তম দাসে সেই সময়ত শিল্পীসকলৰ সুবিধাৰ্থে বহুতো গীত ৰচনা কৰি তাক শিকাই অসমীয়া অনুষ্ঠানৰ গীতৰ অভাৱ পূৰণ কৰিছিল। অৱশ্যে একেবাৰে প্ৰথম অৱস্থাত জ্যোতিপ্ৰসাদৰ গীতে এই অনুষ্ঠানত প্ৰাধান্য লাভ কৰিছিল।” *(দিলীপ শৰ্মা)*

সেই সময়তেই পুৰুষোত্তম দাসৰ অনুৰোধ বা উৎসাহৰ ফলতেই উবেইদুল লটিফ বৰুৱাই কলিকতা ৰেডিঅ’ৰ অসমীয়া অনুষ্ঠানৰ বাবে ওলোৱা প্ৰ’গ্ৰেম এছিছটেণ্ট পদৰ বাবে আবেদন কৰে। সেয়া ১৯৪৫ চনৰ কথা। যথাসময়ত সাক্ষাৎকাৰ দি বৰুৱা ডাঙৰীয়াই পদটি লাভ কৰে। একে বছৰতে আগষ্ট মাহত তেখেতে সেই পদত যোগ দিয়ে। ইয়াৰ আগতে তেখেতে কলিকতাৰ অসমীয়া অনুষ্ঠানৰ বাবে কথিকা আদি প্ৰচাৰ কৰিছিল।

দিন যোৱাৰ লগে লগে কমল নাৰায়ণ চৌধুৰী, পুৰুষোত্তম দাস আৰু দিলীপ শৰ্মাৰ “বাহিৰেও কলিকতাত থকা অনুকুল নাথ, ৰাণী পাল, পৰাগধৰ চলিহা, নিৰ্মল মজুমদাৰ, লক্ষ্মী চলিহা, আৰতি শৰ্মা, ৰেখা চলিহা, মিনতি শৰ্মা, দ্বিজেন চৌধুৰী, মুকুল বৰুৱা, অৰুণ বৰ্মন আদিয়ে নিয়মিত অসমীয়া অনুষ্ঠানত গান গাইছিল। বিষ্ণুপ্ৰসাদ ৰাভা মাজে-সময়ে কলিকতালৈ আহি এমাহ-দুমাহমান থাকি গৈছিল। সেই সময়ত তেখেতে ৰেকৰ্ড কোম্পানিত নাটক আদি কৰাৰ লগতে আকাশবাণীত অনুষ্ঠান পৰিৱেশন কৰিছিল। আনন্দিৰাম দাস, দুৰ্গাৰাম বৈৰাগী, যোগেশ ভৰালী, শিৱ ভট্টাচাৰ্য, ৰাৱণ নাথ, বীৰেন ফুকন, বীৰেন নাথ দাস (ধীৰেন্দ্ৰ নাথ দাস?), মুক্তিনাথ শৰ্মা বৰদলৈ, ইক্ৰামুল মজিদ, তাৰিকুদ্দিন আহমেদ আদিয়ে কলিকতাত অসমীয়া গীতৰ ৰেকৰ্ডিং কৰিবলৈ যাওঁতে ৰেডিঅ’ৰ অসমীয়া অনুষ্ঠানত গীত গাই গৈছিল।” *(দিলীপ শৰ্মা)*

(তিনি)

### অন্যান্য অনুষ্ঠানত ভাগ লোৱা কলিকতাৰ প্ৰবাসীসকল

কলিকতা ৰেডিঅ’ৰ অনুষ্ঠান প্ৰতিদিনে ৫-৩০ বজাৰপৰা ৬ বজালৈকে প্ৰচাৰ হৈছিল। প্ৰতিদিনে দুটি গীতৰ উপৰিও বাতৰি, বিজ্ঞান, কৃষি, সাহিত্য-সংস্কৃতিৰ বিষয়ে কথিকা আৰু দৈনিক ১০ মিনিটৰ বাবে অনুৰোধৰ গীত, চিঠি-পত্ৰৰ উত্তৰ, মহিলা অনুষ্ঠান, চুটি নাটক আৰু সংগীতালেখ্য প্ৰচাৰ কৰিছিল। সংগীত শিল্পীসকলৰ বাহিৰেও যিসকলে অন্যান্য অনুষ্ঠানত ভাগ লৈছিল, সেইসকল আছিল— তীৰ্থনাথ শৰ্মা, যতীন্দ্ৰনাথ দুৱৰা, হলিৰাম ডেকা, জ্ঞাননাথ বৰা, অম্বিকানাথ বৰা, দীননাথ শৰ্মা, মহেন্দ্ৰ নাথ ডেকা ফুকন, মাধৱ চন্দ্ৰ বেজবৰুৱা, উমেশ চন্দ্ৰ বৰুৱা, হৰেন্দ্ৰ কলিতা, ভৰেশ চন্দ্ৰ গোস্বামী, উবেইদুল লটিফ বৰুৱা, মৃগেন ৰায়চৌধুৰী, পুলিন চাংকাকতি, নৰেশ ৰাজখোৱা, পদ্ম বৰা আৰু কলিকতাৰ কলেজ-বিশ্ববিদ্যালয়ত পঢ়া